**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। সশস্ত্ৰ বাহিনীসমূহে যোৱানিশা পাকিস্তানে ড্ৰোণ, ক্ষেপনাস্ত্ৰ আৰু অন্য অস্ত্ৰ-শস্ত্ৰৰ সহায়ত দেশৰ উত্তৰ আৰু পশ্চিম অংশৰ কেইবাখনো চহৰক লক্ষ্য কৰি চলোৱা আক্ৰমণৰ প্ৰচেষ্টা ব্যৰ্থ কৰে।

২। সন্ত্ৰাসবাদৰ বিৰুদ্ধে অপাৰেচন সিন্দূৰৰ পাছত বিভিন্ন ৰাষ্ট্ৰই ভাৰতৰ প্ৰতি সমৰ্থন আগবঢ়াইছে।

৩। প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে প্ৰতিৰক্ষা অভিযান আৰু নিৰাপত্তা বাহিনীৰ গতি-বিধিৰ প্ৰত্যক্ষ আৰু পোনপটীয়া প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ সকলো সংবাদ মাধ্যম, ডিজিটেল প্লেটফৰ্ম আৰু ব্যক্তি বিশেষক আহ্বান জনাইছে।

৪। দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই যাত্ৰা সম্পৰ্কীয় পৰামৰ্শ জাৰি কৰি বন্দৰটোৰ কাম-কাজ স্বাভাৱিক হৈ থকা বুলি প্ৰকাশ কৰিছে।

আৰু

৫। ভাৰতীয় ৰে'লৰেই সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জম্মু আৰু উধমপুৰৰ পৰা নতুন দিল্লীলৈ কেইখনমান বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে।

০০০০০০০

ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে যোৱানিশা পাকিস্তানে ড্ৰোণ, ক্ষেপনাস্ত্ৰ আৰু অন্য অস্ত্ৰ-শস্ত্ৰৰ সহায়ত দেশৰ উত্তৰ আৰু পশ্চিম অংশৰ কেইবাখনো চহৰক লক্ষ্য কৰি আক্ৰমণ চলোৱাৰ প্ৰচেষ্টা ব্যৰ্থ কৰে। পাকিস্তানী সেনাই জম্মু-কাশ্মীৰৰ নিয়ন্ত্ৰণ ৰেখাত কালি কেইবাবাৰো যুদ্ধ বিৰতি উলংঘা কৰে। সংহত প্ৰতিৰক্ষা ষ্টাফৰ মুখ্য কাৰ্যালয়ে প্ৰকাশ কৰা মতে পাকিস্তানে জম্মু, পাঠানকোট আৰু উধমপুৰৰ লগতে আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৰ কেইবাটাও ঘাটিক লক্ষ্য কৰি লোৱাৰো চেষ্টা চলায়। সশস্ত্ৰ বাহিনীয়ে এই আক্ৰমণ সফলভাৱে প্ৰতিহত কৰে। পাকিস্তানী আক্ৰমণত কোনো লোক হতাহত হোৱাৰ বাতৰি পোৱা হোৱা নাই। জম্মু-কাশ্মীৰৰ ছাটৱাড়ি, চাম্বা, আৰ এছ পুৰা আৰু আৰ্নিয়া খণ্ডলৈ লক্ষ্য কৰি পাকিস্তানে ৮টা মিছাইল নিক্ষেপ কৰিছিল। ভাৰতীয় আকাশমাৰ্গ প্ৰতিৰক্ষা প্ৰণালীয়ে এই আক্ৰমণ সফলতাৰে প্ৰতিহত কৰে। সংহত প্ৰতিৰক্ষা ষ্টাফৰ মুখ্য কাৰ্যালয়ৰ তথ্য অনুসৰি জম্মু খণ্ডত পাকিস্তানে হামাছে ইজৰাইলৰ ওপৰত আক্ৰমণ কৰাৰ দৰে একে পদ্ধতিৰে আক্ৰমণ চলোৱা দেখা পোৱা গৈছিল। পাকিস্তানী সেনাই হামাছ সন্ত্ৰাসবাদী সংগঠনৰ দৰে আচৰণ কৰিছে বুলিও সংহত প্ৰতিৰক্ষা মুখ্য কাৰ্যালয়ে সদৰি কৰিছে।

পাকিস্তানী সেনাই জম্মু আৰু কাশ্মীৰৰ পুঞ্চ, ৰাজৌৰি, ভিমবাৰ আদি খণ্ডতো গুৰু কামান ব্যৱহাৰ কৰি আন্তঃৰাষ্ট্ৰীয় সীমাৰ সিপাৰৰ পৰা ভাৰতলৈ লক্ষ্য কৰি গোলাবৰ্ষণ কৰে। ভাৰতীয় বাহিনীয়ে ইয়াৰ যোগ্য প্ৰত্যুত্তৰ দিয়ে।

ইপিনে, সীমান্ত সুৰক্ষা বাহিনীৰ অভিযানত জম্মু-কাশ্মীৰৰ চাম্বা জিলাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত যোৱানিশা অনুপ্ৰৱেশৰ চেষ্টা চলোৱা কমেও ৭ জন সন্ত্ৰাসবাদী নিহত হয়। বি এছ্ এফৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি সন্ত্ৰাসবাদীৰ এটা বৃহৎ গোটে অনুপ্ৰৱেশৰ চেষ্টা চলোৱা ধৰা পেলায়। এই অনুপ্ৰৱেশকাৰীসকলক ধানধড় পোষ্টত থকা পাকিস্তানৰ ৰেঞ্জাৰসকলে সহায় কৰে বুলি সূত্ৰটোত প্ৰকাশ পাইছে। বি এছ্ এফৰ জোৱানে এই ধানধড় পোষ্টৰ বিস্তৰ ক্ষতি কৰে। ভাৰতে পাকিস্তানৰ বিৰুদ্ধে সংঘৰ্ষ অব্যাহত ৰখাৰ কোনো অভিপ্ৰায় নাই বুলি দোহাৰি কয়, যে কেৱল পাকিস্তানৰ সন্ত্ৰাসবাদী আন্তঃগাঁথনিকহে এই আক্ৰমণৰ লক্ষ্য কৰি লোৱা হৈছে। ভাৰতে কেৱল পহলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰহে দিছে বুলি নতুন দিল্লীয়ে সজোৰে প্ৰকাশ কৰিছে।

০০০০০০

সন্ত্ৰাসবাদৰ বিৰুদ্ধে অপাৰেচন সিন্দূৰৰ পাছত বিভিন্ন ৰাষ্ট্ৰই ভাৰতৰ এই পদক্ষেপৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। আমেৰিকা যুক্তৰাষ্ট্ৰ, ব্ৰিটেইন, ইজৰাইল, চৌদি আৰৱীয়ান, কাটাৰ আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰই ভাৰতৰ সমৰ্থনত থিয় দিছে। ইউৰোপীয় সংঘ আৰু ইয়াৰ ২৭ খন সদস্য ৰাষ্ট্ৰই এটা একত্ৰ আৰু শক্তিশালী বিবৃতি জাৰি কৰিছে। মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ভাৰতৰ সৈতে আছে বুলি উল্লেখ কৰি কয় যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ভাৰতৰ সাৰ্বভৌম অধিকাৰ আছে। অৱশ্যে তেওঁ ভাৰতক সংযত আৰু কূটনৈতিক পথ গ্ৰহণ কৰাৰ বাবেও আহ্বান জনায়। ব্ৰিটেইনৰ বিদেশ মন্ত্ৰী ডেভিড লেমিয়ে কয়, যে পাকিস্তানৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিবলৈ ভাৰতৰ ওচৰত উচিত কাৰণ আছে। ব্ৰিটেইনৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী ঋষি চুনাকে কোনো ৰাষ্ট্ৰই সীমান্তৰ ইপাৰৰ সন্ত্ৰাসবাদী কাৰ্যকলাপ সহ্য কৰা উচিত নহয় বুলি উল্লেখ কৰে। ৰাছিয়াইও ভাৰত-পাকিস্তান দুয়োপক্ষকে সংযত হ'বলৈ আহ্বান জনোৱাৰ লগতে ৰাছিয়াই সকলো প্ৰকাৰৰ সন্ত্ৰাসবাদকে নিন্দা কৰে বুলি স্পষ্ট কৰি দিয়ে। দেশখনে লগতে দুয়োপক্ষৰ বৰ্ধিত সামৰিক উত্তেজনাক লৈও উদ্বেগ প্ৰকাশ কৰে। ইজৰাইলেও সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ এই যুঁজৰ সৈতে পূৰ্ণ সমৰ্থন আছে বুলি উল্লেখ কৰে।

০০০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰালয়ে সকলো সংবাদ মাধ্যম, ডিজিটেল প্লেটফৰ্ম আৰু ব্যক্তি বিশেষক প্ৰতিৰক্ষা অভিযান আৰু নিৰাপত্তা বাহিনীৰ গতি-বিধিৰ প্ৰত্যক্ষ আৰু পোনপটীয়া প্ৰচাৰৰ পৰা বিৰত থাকিবলৈ আহ্বান জনাইছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ পূৰ্বৰ নিৰ্দেশনাৰ কথা উল্লেখ কৰি সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে এনেধৰণৰ স্পৰ্শকাতৰ আৰু নিৰ্দিষ্ট সূত্ৰ আধাৰিত তথ্যৰ উন্মোচনে প্ৰতিৰক্ষা অভিযানত ব্যাঘাত জন্মোৱাৰ উপৰি জনসাধাৰণৰ জীৱনলৈ ভাবুকি কঢ়িয়াই আনিব পাৰে। মন্ত্ৰালয়ে কাৰ্গিল যুদ্ধ, ২৬/১১-ৰ সন্ত্ৰাসবাদী আক্ৰমণ আৰু কান্দাহাৰ বিমান হাইজেকৰ দৰে পূৰ্বৰ কিছু ঘটনাৰ বিষয়ে উল্লেখ কৰি আগতীয়া আৰু বিভ্ৰান্তিকৰ তথ্যই আনিব পৰা বিপদৰ বিষয়ে আঙুলিয়াই দিয়ে। মন্ত্ৰালয়ৰ নিৰ্দেশাৱলীত প্ৰকাশ কৰা মতে কেবল টেলিভিছন নেটৱৰ্ক সংশোধনী নিয়মৰ অধীনত কেৱল স্বীকৃতিপ্ৰাপ্ত চৰকাৰী কাৰ্যালয়কহে সন্ত্ৰাসবাদ বিৰোধী অভিযানৰ সময়ত পৰ্যায়ক্ৰমে তথ্য প্ৰচাৰ কৰাৰ অনুমতি দিয়া হয়।

০০০০০০০০০

দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই যাত্ৰা সম্পৰ্কীয় পৰামৰ্শ জাৰি কৰি বন্দৰটোৰ কাম-কাজ স্বাভাৱিক হৈ থকা বুলি প্ৰকাশ কৰিছে। অৱশ্যে আকাশী পথ সলনি কৰা আৰু কটকটীয়া সুৰক্ষা ব্যৱস্থাৰ বাবে একাংশ বিমানৰ উৰণ প্ৰভাৱিত হ'ব পাৰে বুলি কৰ্তৃপক্ষই জানিবলৈ দিছে।

পাকিস্তানৰ শেহতীয়া আগ্ৰাসী মনোভাবৰ প্ৰতি লক্ষ্য ৰাখি কিষণগঢ়, ভুন্তৰ আৰু লুধিয়ানা বিমান বন্দৰ বন্ধ কৰি দিয়া হৈছে। ইয়াৰ পূৰ্বে ৰাজস্থান, পাঞ্জাব, জম্মু-কাশ্মীৰ, চণ্ডীগড় আৰু হিমাচল প্ৰদেশকে ধৰি কেইবাখনো ৰাজ্যৰ বিমান বন্দৰৰ সেৱা বাতিল কৰা হৈছে। ইপিনে, অ-সামৰিক বিমান পৰিবহণ মন্ত্ৰালয়ে সমগ্ৰ দেশৰ বিমান বন্দৰসমূহ বন্ধ কৰি দিয়া হৈছে বুলি কেতবোৰ সংবাদ মাধ্যমত প্ৰচাৰিত বাতৰিক খণ্ডণ কৰিছে। বিমান কৰ্তৃপক্ষই যাত্ৰীসকলক নিৰ্দিষ্ট সূত্ৰৰ ওপৰতহে ভৰষা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০০০

ভাৰতীয় ৰে'লৱেই সাম্প্ৰতিক পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি জম্মু আৰু উধমপুৰৰ পৰা নতুন দিল্লীলৈ কেইখনমান বিশেষ ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে। জম্মুৰ পৰা পুৱা ১০ বাজি ৪৫ মিনিটত চলিবলগীয়া ০৪৬১২ নম্বৰৰ ৰে'লখনত ১২ টাকৈ সংৰক্ষিত আৰু অসংৰক্ষিত ডবা আছে। ২০ টা ডবাযুক্ত বন্দে ভাৰত ৰে'লখন দুপৰীয়া ১২ বাজি ৪৫ মিনিটত উধমপুৰৰ পৰা জম্মু আৰু পাঠানকোট হৈ নতুন দিল্লীলৈ যাত্ৰা কৰিব। একেদৰে সম্পূৰ্ণৰূপে সংৰক্ষিত এখন বিশেষ ৰে'লগাড়ী জম্মুৰ পৰা সন্ধিয়া ৭ বজাত চলাচল কৰোৱাৰ ব্যৱস্থা কৰা হৈছে।

০০০০০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজত আক্ৰমণ-প্ৰত্যাক্ৰমণৰ পৰিপ্ৰেক্ষিতত দেশত বৰ্ধিত উত্তেজনাৰ মাজতে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনত বিহুৰ অনুষ্ঠানসমূহ কাইলৈৰ পৰা বাতিল কৰিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ জৰিয়তে মুখ্যমন্ত্ৰীগৰাকীয়ে পূৰ্বে নিৰ্ধাৰিত বিহুৰ সকলো অনুষ্ঠান ইমানতে সামৰণি পেলাই ঐক্য আৰু সংহতিৰ চানেকি দাঙি ধৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে।

০০০০০০০

পাকিস্তান চৰকাৰে দেশখনৰ প্ৰচুৰ ক্ষতি হোৱাৰ পাছত আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলক অধিক ঋণৰ বাবে আহ্বান জনাইছে। দেশখনৰ অৰ্থনৈতিক পৰিক্ৰমা বিভাগে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে যুদ্ধৰ উত্তেজনা বৃদ্ধি পোৱাৰ মাজতে শ্বেয়াৰ বজাৰ নিম্নগামী হোৱাৰ পৰিপ্ৰেক্ষিতত পাকিস্তানে ইয়াৰ আন্তঃৰাষ্ট্ৰীয় অংশীদাৰসকলক সহায়ৰ বাবে আহ্বান জনাইছে।

০০০০০০০০০

সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কত আৰু বাতৰি –

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি দেশৰ পশ্চিম অংশৰ নিৰাপত্তা পৰিস্থিতি আৰু সেনা বাহিনীৰ প্ৰস্তুতি সম্পৰ্কত সশস্ত্ৰ বাহিনীৰ প্ৰধান জেনেৰেল অনিল চৌহান, স্থল সেনাধ্যক্ষ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাধ্যক্ষ এয়াৰ চীফ মাৰ্শ্বেল অমৰপ্ৰীত সিং আৰু নৌসেনাধ্যক্ষ এডমিৰেল দীনেশ কে ত্ৰিপাঠীৰ সৈতে পৰ্যালোচনা কৰে। এই বৈঠকত প্ৰতিৰক্ষা সচিব আৰ কে সিং উপস্থিত আছিল। আনহাতে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সীমান্ত নিৰাপত্তা বাহিনী বি এছ এফ, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী আৰু অসামৰিক বিমান পৰিবহণ সুৰক্ষা সংস্থাৰ মুৰব্বী কেইগৰাকীৰ সৈতে আন এখন পৰ্যালোচনা বৈঠকত মিলিত হয়।

০০০০০০০০০

সমাপ্ত